**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-12-2025 **Time :** 1715Hrs.

**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন।

২। সৰুসজাইৰ পৰা বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়লৈ হোৱা বৃহৎ ৰোড শ্ব'ত প্ৰধানমন্ত্ৰীৰ অংশগ্ৰহণ।

৩। কাইলৈ প্ৰধানমন্ত্ৰীৰ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন।

*আৰু*

৪। নগাঁৱৰ ধিং ৰাজহ চক্ৰৰ দখলীকৃত চৰকাৰী ভূমিত আজি পঞ্চম দিনাও প্ৰশাসনৰ উচ্ছেদ অভিযান।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছুসময় পূৰ্বে গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন কৰে। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু অৰ্কিড বিষয়বস্তুৰে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত কয় যে নতুন বিমান বন্দৰৰ টাৰ্মিনেল ভৱন নিৰ্মাণে অসমৰ লগতে উত্তৰ-পূৰ্ৱ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। অসমে পথ আৰু বিমান সেৱাৰ আন্তঃগাথনিৰ ক্ষেত্ৰত কৰা উন্নয়নৰ ওপৰতো তেওঁ আলোকপাত কৰে। অসমে আন্তঃগাথনিগত দিশৰ উন্নয়নৰ লগতে আইন শৃংখলা উন্নয়ন সাধন কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ভাৰতীয় ন্যায় সংহিতা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰত শীৰ্ষ স্থানত থকা বিষয়টোক লৈ প্ৰধানমন্ত্ৰীয়ে সন্তোষ প্ৰকাশ কৰে। অসমে উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত অভিলেখ সৃষ্টি কৰি অগ্ৰসৰ হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে।

বাইট ঃ মোদী

উল্লেখযোগ্য যে বাঁহ, কপৌ ফুলৰ আৰ্হি আৰু কাজিৰঙাৰ জৈৱ বৈচিত্ৰক প্ৰতিফলিত কৰি এই টাৰ্মিনেলটো নিৰ্মাণ কৰা হৈছে। অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কিঞ্জাৰাপু ৰায়মোহন নাইডু, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰীক গামোচা, লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিচ্ছবি আৰু নতুন বিমান বন্দৰৰ আৰ্হিত খোদিত বিশেষ স্মাৰকেৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত দিয়া ভাষণত বিমান পৰিবহন মন্ত্ৰীগৰাকীয়ে অসম তথা উত্তৰ পূবৰ বৈচিত্ৰপূৰ্ণ সংস্কৃতি, প্ৰাকৃতিক সৌন্দৰ্য আৰু লোক জীৱনক প্ৰশংসা কৰি কয় যে উত্তৰ পূব ভ্ৰমণ অবিহনে ভাৰত ভ্ৰমণ সম্পূৰ্ণ নহয়। তেওঁ সকলোকে অসম তথা উত্তৰ পূব ভ্ৰমণৰ বাবে আহ্বান জনায়।

বাইট

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত অসমবাসীয়ে নিজৰ সপোনক বাস্তৱায়িত কৰিব পৰাকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিকদৰ্শন কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে শান্তি, প্ৰগতি আৰু বিকাশৰ পথত অগ্ৰসৰ হোৱা ৰাজ্যখনে গুৱাহাটী বিমান বন্দৰত সোনকালে দ্বিতীয়টো লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

ইয়াৰ আগেয়ে বৰঝাৰ বিমান বন্দৰত অৱতৰণ কৰাৰ পাছতে প্ৰধানমন্ত্ৰীয়ে অসমৰ বৰ্ণাঢ্য সংস্কৃতি প্ৰদৰ্শনেৰে আদৰণি জনোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ

বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থাকে। ইয়াৰ পাছতে তেওঁ টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ লয়। প্ৰধানমন্ত্ৰীয়ে কিছুসময় পাছতে সৰুসজাইৰ পৰা বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়লৈ হ'বলগীয়া বৃহৎ ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। ইতিমধ্যে এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মন্ত্ৰী বিমল বৰাই কালি জনসভাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

০০০০০০০

গুৱাহাটীৰ খানাপাৰাত অহা ২৪ ডিচেম্বৰৰ পৰা হ'বলগীয়া অসম গ্ৰন্থমেলাত ২৭ ডিচেম্বৰত যুৱ লেখকৰ বিশেষ অনুষ্ঠান উন্মীলন অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে আবেদনৰ ভিত্তিত ৩৫ বছৰ অনুৰ্ধ্বৰ ৩৫ গৰাকী যুৱ লেখক-লেখিকাক বাছনিৰ ব্যৱস্থা কৰা হৈছে। আগ্ৰহী লেখক-লেখিকাসকলে ২৩ ডিচেম্বৰৰ পূৰ্বে অসম প্ৰকাশন পৰিষদৰ ৱেবছাইটত উন্মীলন শীৰ্ষক গুগলৰ প্ৰ-পত্ৰখন পূৰণ কৰিব লাগিব। খানাপাৰা অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ২৭ ডিচেম্বৰৰ দিনৰ ১২ বজাত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। যুৱ লেখক লেখিকাসকলৰ মাজৰ পৰা বাচনি কৰা ৩৫ গৰাকীক অসম গ্ৰন্থমেলাৰ আয়োজক কৰ্তৃপক্ষই যোগাযোগ কৰিব।

০০০০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ দখলিকৃত চৰকাৰী ভূমিত আজি পঞ্চম দিনাও উচ্ছেদ অভিযান চলায়। প্ৰশাসনে আজি মৈৰাধবজত অবৈধভাৱে খন্দা পুখুৰীত উচ্চেদ অভিযান চলায়।

এই অভিযানৰ বাবে তিনি শতাধিক আৰক্ষীৰ লোক নিয়োগ কৰা হয়। ১৬ ডিচেম্বৰৰ পৰা চলা এই উচ্ছেদ অভিযানত মৈৰাধবজ, বেচামাৰী, শালমৰাবৰি, অকৰাবৰি, গেলেকনি বিলৰ টুকটুকী, শালনাবাৰী আৰু আহোম গাঁৱৰ অবৈধভাৱে পুখুৰী খনন কৰা চৰকাৰী ভূমি দখলমুক্ত কৰা হয়।

০০০০০০০

ৰাজ্যৰ চৰকাৰী, স্বীকৃতিপ্ৰাপ্ত অথবা প্ৰাদেশিকীকৃত মজলীয়া আৰু নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত অধ্যয়নৰত প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ পৰা ২০২৫-২৬ বৰ্ষৰ প্ৰাক-প্ৰৱেশিকা বৃত্তিৰ বাবে আবেদন পত্ৰৰ আহ্বান জনোৱা হৈছে। ভৈয়াম জনজাতি পৰিক্ৰমা সঞ্চালকালয়ে এখন জাননীযোগে আবেদন পত্ৰ আহ্বানৰ কথা প্ৰকাশ কৰিছে। পিতৃ-মাতৃ বা অভিভাৱকৰ বাৰ্ষিক আয় ৫০ হাজাৰ টকাৰ কম হোৱা ছাত্ৰ-ছাত্ৰীসকলে এই বৃত্তিৰ বাবে আবেদন কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে www.directoratetribalaffairsplain.assam.gov.in-ৰ জৰিয়তে আবেদন পত্ৰ সংগ্ৰহ কৰিব পাৰিব আৰু অহা ৩০ ডিচেম্বৰৰ ভিতৰত আবেদনপত্ৰসমূহ নিজ নিজ শিক্ষানুষ্ঠানত জমা দিব লাগিব। অৰ্হতাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে বছৰি এহেজাৰ ২০০ টকাকৈ জলপানি লাভ কৰিব।

০০০০০০০

অসম খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধীনত আজি বজালী জিলাৰ পাটাছাৰকুছিত এটা ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰা হয়। বজালী জিলাৰ অতিৰিক্ত আয়ুক্ত উপাসনা দত্তই এই কেন্দ্ৰ মুকলি কৰে। তেওঁ কয় যে এই

কেন্দ্ৰৰ জৰিয়তে কৃষকসকল যথেষ্ট উপকৃত হ'ব। অনুষ্ঠানত কৃষি বিভাগৰ কেইবাজনো জ্যেষ্ঠ বিষয়াকে ধৰি স্থানীয় কৃষক উপস্থিত থাকে।

০০০০০০০

কলিয়াবৰৰ শিলঘাটত অৱস্থিত অসম সমবায় মৰাপাট কলৰ দ্বিতীয়টো গোটত ২০ দিনীয়া অচলাৱস্থাৰ অন্তত কাইলৈৰ পৰা পুনৰ উৎপাদন আৰম্ভ হ'ব। চনু এণ্টাৰপ্ৰাইজৰ স্বত্বাধিকাৰী শশী প্ৰকাশ পুৰোহিতক মৰাপাট কল পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। মৰাপাট যোগানকাৰীৰ সৈতে হোৱা বৈঠকত দ্বিতীয় গোটটোৰ উৎপাদন আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ নতুন ১২৫ দিনীয়া নিয়োগ নিশ্চিত আঁচনি সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা আৰু অসম ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ড° দেৱজিৎ মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

**সমাপ্ত**